**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-01-2026
**Time :** 18-00 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। আজি ভোগালী বিহুৰ উৰুকা। নিশা সমূহীয়া ভোজ-ভাতৰ ব্যাপক প্ৰস্তুতি।

২। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বৰাক উপত্যকাৰ ৩ টা বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা পুজিৰ চেক বিতৰণ।

৩। সংগীত শিল্পী সমৰ হাজৰিকাৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন। *আৰু*

৪। পদ্মশ্ৰী সন্মানেৰে বিভূষিত বিশিষ্ট সাহিত্যিক ৰংবং তেৰাঙৰ ৮৯ সংখ্যক জন্ম দিন উপলক্ষে ডিফুত বিশেষ কাৰ্যসূচী।

ooooo

আজি ভোগালী বিহুৰ উৰুকা। পৰম্পৰা অনুসৰি মাঘৰ বিহুৰ উৰুকাৰ দিনা ৰাজ্যবাসীয়ে আজি নিশা সমূহীয়া ভোজ-ভাত খোৱাৰ দিহা কৰিছে। গ্ৰামাঞ্চলত মেজি আৰু ভেলাঘৰৰ তলত সমূহীয়া ভোজ-ভাতৰ প্ৰস্তুতি পুৱাতে আৰম্ভ হয়। গুৱাহাটীকে ধৰি ৰাজ্যখনৰ নগৰাঞ্চলৰ ৰাইজেও কংক্ৰিটৰ মজিয়াত একেলগে এসাঁজ খোৱাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ কেইবাখনো বিলত আজি গাঁওবাসীয়ে সমূহীয়াকৈ মাছ ধৰে। মাছৰ বজাৰসমূহত আজি পুৱতি নিশাৰে পৰা বিভিন্ন স্থানৰ পৰা মাছ ব্যৱসায়ীসকল উপস্থিত হোৱাৰ লগতে গ্ৰাহকৰো ভিৰ পৰিলক্ষিত হয়।

মাজুলীৰ বিভিন্ন অঞ্চলত আজি ৰাইজে সমূহীয়াভাৱে মাছ ধৰি আনন্দ উপভোগ কৰে। কোকৰাঝাৰ জিলাৰ বজাৰসমূহত আজি ভোগালীৰ উৰুকাৰ বাবে মাছ বিক্ৰেতা আৰু ক্ৰেতাসকলে ভিৰ কৰে বুলি আমাৰ সংবাদদাতাই জনাইছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত বিল, জলাশয়সমূহত মাছ ধৰা ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে যদিও ওচৰৰ গাঁওবাসীয়ে নিষেধাজ্ঞা নেওচি জলাশয়সমূহত সমূহীয়াভাৱে মাছ ধৰে।

ভোগালী বিহু উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাজ্যপালগৰাকীয়ে এটা বাৰ্তাত ভোগালী বিহুক অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অমূল্য সম্পদ বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ভোগালী বিহুক কৃষকৰ সমৃদ্ধিৰ প্ৰকাশ বুলি অভিহিত কৰে। তেওঁ কয়, যে ভোগালী মানে মিলা-প্ৰীতিৰে একেলগে এসাঁজ খাই আত্মীয়তাক উদযাপন কৰাৰ নাম।

গুৱাহাটী মহানগৰীৰ উজান বজাৰৰ মাছৰ বজাৰত উৰুকা উপলক্ষে আজি পুৱতি নিশাৰ পৰা ক্ৰেতাৰ ভিৰ পৰিলক্ষিত কৰা হয়। একেদৰে, মহানগৰীৰ কলংপাৰ, বেলতলা, বামুণীমৈদাম, গণেশগুৰিৰ দৰে অন্যান্য

বজাৰসমূহতো উৰুকাৰ লগভাতৰ যোগাৰ কৰিবলৈ ক্ৰেতা আৰু বিক্ৰেতাৰ বিপুল সমাগম হোৱা দেখিবলৈ পোৱা যায়।

ডিব্ৰুগড় জিলাতো ভোগালী বিহুৰ ব্যাপক আয়োজন কৰা হৈছে। জিলাখনৰ বিভিন্ন ঠাইত মেজি আৰু ভেলাঘৰ সাজি ভোজ ভাত খোৱাৰ প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। জিলাখনৰ বাণীপুৰত ৰংঘৰৰ আৰ্হিত সজা ভেলাঘৰে সকলোৰে দৃষ্টি আকৰ্ষিত কৰিছে। জিলা প্ৰশাসনে উৰুকা আৰু মাঘ বিহু উপলক্ষে মাছ-মাংস, গাখীৰ-দৈকে ধৰি বিভিন্ন খাদ্য সামগ্ৰীৰ বজাৰমূল্য অতিৰিক্তভাৱে বৃদ্ধি নকৰিবলৈ বেপাৰীসকলৰ কাৰণে এখন নিৰ্দিষ্ট মূল্য তালিকা প্ৰকাশ কৰিছে। জিলাখনৰ চৌকিদিঙিত আজি উৰুকা উপলক্ষে স্থানীয় বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকনে উপস্থিত হৈ ৰাজ্যবাসীক ভোগালী বিহুৰ ওলগ জনোৱাৰ লগতে এফাকি বিহু গাই বিহুৰ শুভেচ্ছা জনায়।

নগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি ডাকৰঘাট যমুনা জলাহ বিলত পুৱাৰ ভাগতে মৎস্য চিকাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। জিলাখনৰ জাকৰুৱা বিলত সহস্ৰাধিক লোকে মৎস্য চিকাৰত অংশগ্ৰহণ কৰিছে।

শিৱসাগৰ নগৰৰ সমীপৰ জয়সাগৰ অঞ্চলত থকা জেৰেঙা পথাৰৰ বিলসমূহৰ লগতে ভটিয়াপাৰাৰ বিলসমূহৰ পাৰত আজি পুৱাৰে পৰা মাছ ক্ৰয় কৰিবলৈ যথেষ্ট সংখ্যক লোক উপস্থিত হয়।

**বাইট**

কাছাৰ জিলাতো মকৰ সংক্ৰান্তি আৰু ভোগালী বিহু উপলক্ষে উৎসাহ উদ্দীপনা হৈছে। জিলাখনৰ বিভিন্ন গাঁও আৰু চহৰ অঞ্চলত সৃষ্টিশীল আৰ্হিত ভেলাঘৰ সাজি উলিওৱা হৈছে। পৰম্পৰাগত খাদ্য সম্ভাৰেৰে ভোগালীক আদৰিবলৈ কাছাৰ জিলাৰ ৰাইজ সাজু হৈছে।

হোজাই জিলাতো উৰুকা উপলক্ষে পুৱাৰেপৰা লংকাৰ মাছৰ বজাৰত ভিৰ পৰিলক্ষিত হৈছে।

হোজাই জিলাৰ মীন বিভাগে আজি উৰুকা উপলক্ষে বিভিন্ন প্ৰজাতিৰ মাছৰ বিক্ৰীৰ বজাৰ মূল্য নিৰ্ধাৰণ কৰিছে। জিলা মীন বিষয়া ভৱানী প্ৰসাদ নাথে এই বিষয়ে উল্লেখ কৰি মাছৰ বজাৰত বিভিন্ন প্ৰজাতিৰ মাছৰ বিক্ৰীৰ নিৰ্দিষ্ট মূল্য বৰ্তাই ৰাখিবলৈ ব্যৱসায়ীসকলক আহ্বান জনায়।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বৰাক উপত্যকাৰ ৩ টা বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা পুজিৰ চেক বিতৰণ কৰে। তেওঁ উত্তৰ কৰিমগঞ্জ বিধান সভা সমষ্টিৰ ১৪ হাজাৰ ১৩৫ গৰাকী আত্মসহায়ক গোটৰ মহিলাক উদ্যমিতা পুঁজিৰ ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰে। শ্ৰীভূমি জিলাৰ ক্ৰীড়া সন্থা খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয় যে মহিলাসকলক আৰ্থিকভাৱে সবল কৰি ৰাজ্যৰ তৃণমূল পৰ্যায়ৰ বিকাশ সুনিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ মহিলাসকলক এই ধনৰাশিৰ যথোচিত ব্যৱহণেৰেৰে স্বাৱলম্বনৰ পথ মুকলি কৰিবলৈ আহ্বান জনায়। ড° শৰ্মাই ইয়াৰ পাছত কাটিগড়া আৰু বৰখলা বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ মহিলাসকলকো উদ্যমিতা আঁচনিৰ অধীনত চেক প্ৰদান কৰে। কাটিগড়া বিধানসভা সমষ্টিত ১৮ হাজাৰ ৫৭৮ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে বৰখলা সমষ্টিৰ ১৯ হাজাৰ ৭৫৬ গৰাকী উদ্যমী মহিলাক চেক বিতৰণ কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই এই আঁচনিয়ে মহিলাসকলক স্বাৱলম্বী কৰি তোলাৰ লগতে বিকশিত নতুন অসম গঢ়াত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে এদিনীয়া ভ্ৰমণসূচীৰে বৰাক উপত্যকালৈ যোৱা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ পূৰ্বে কাছাৰ জিলাৰ শিলচৰত সদ্যপ্ৰয়াত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালক সাক্ষাৎ কৰে। ড০ শৰ্মাই প্ৰয়াত নেতাগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰি শোকসন্তপ্ত পৰিয়ালৰে সমবেদনা জ্ঞাপন কৰে।

০০০০০

অসমীয়া সংগীত জগতৰ এটি উজ্জ্বল নক্ষত্ৰ বিশিষ্ট সংগীত শিল্পী সমৰ হাজৰিকাৰ শেষকৃত্য আজি নৱগ্ৰহ শ্মশানত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। নৱগ্ৰহ শ্মশানত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই ৭৯ বছৰত দেহাৱসান ঘটা শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ইয়াৰ পূৰ্বে গুৱাহাটীৰ নিজৰাপাৰৰ বাসগৃহত গুণমুগ্ধসকলে শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মন্ত্ৰী বিমল বৰাই প্ৰয়াত শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালৰে সমবেদনা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰয়াত সমৰ হাজৰিকাক ৰাজ্য চৰকাৰে মৰণোত্তৰভাৱে শিল্পী বঁটা প্ৰদান কৰিব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। পাছত তেওঁৰ নশ্বৰ দেহ আকাশবাণী গুৱাহাটীৰ চৌহদলৈ অনা হয়। উল্লেখযোগ্য যে, ভাৰতীয় খাদ্য নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী হাজৰিকাই অসমীয়া লোক জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষাক সুৰৰ মাধুৰ্য্যৰে জনসাধাৰণৰ হৃদয়লৈ লৈ গৈছিল। লোকসংগীত, আধুনিক গীত আৰু সাংস্কৃতিক চেতনাৰে সমৃদ্ধ হাজৰিকাৰ সৃষ্টিসমূহ অসমীয়া সংগীত জগতৰ অমূল্য সম্পদ। অনাতাঁৰ কেন্দ্ৰ আৰু এলবামৰ বাবে গীত গোৱাৰ উপৰি তেওঁ বহুকেইখন অসমীয়া ছবিত নেপথ্য কণ্ঠশিল্পী হিচাপে কণ্ঠ নিগৰাইছে। তেওঁ উপপথ, বোৱাৰী, ঘৰ সংসাৰ, প্ৰভাতি পক্ষীৰ গানৰ দৰে কেইবাখনো জনপ্ৰিয় অসমীয়া চলচ্চিত্ৰত কণ্ঠদান কৰিছিল। তেওঁৰ কণ্ঠত প্ৰাণ পাই উঠা  প্ৰথম মৰমে যদি সহাঁৰি নেপাই, কি যে ৰণাঙ্গনৰ কাহিনী, নাহৰ ফুলে জ্যোতি ফুলে আদিৰ দৰে কালজয়ী গীত আজিও শ্ৰোতাৰ হৃদয়ত সজীৱ হৈ আছে। ০০০০

০০০০০

পদ্মশ্ৰী সন্মানেৰে বিভূষিত বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰংবং তেৰাঙৰ ৮৯ সংখ্যক জন্ম দিন উপলক্ষ্যে আজি ডিফুত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। ডিফু সাহিত্য সভাৰ উদ্যোগত আয়োজিত কাৰ্যসূচীত ভালেসংখ্যক লোকে পাহাৰ-ভৈয়ামৰ সমন্বয়ৰ সাঁকো স্বৰূপ, ৰংমিলিৰ হাঁহিৰ স্ৰষ্টা ৰংবং তেৰাঙৰ জন্মদিন উপলক্ষ্যে শুভেচ্ছা জনায়। জিলা আয়ুক্ত আৰন্য শইকীয়াই জন্মদিনত সাহিত্যিকগৰাকীক সাক্ষাৎ কৰি সু-স্বাস্থ্য কামনা কৰে।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ জোৰডাঙ্গাত সীমান্ত সুৰক্ষা বাহিনীয়ে আজি এজন বাংলাদেশী নাগৰিকক গ্ৰেপ্তাৰ কৰে। ধৃত লোকজনক বাংলাদেশৰ কুৰিগ্ৰাম জিলাৰ ৰতনপুৰ গাঁৱৰ মিষ্টাৰ আলী বুলি চিনাক্ত কৰা হৈছে। ধৃত লোকজনে আন ৫ জন বাংলাদেশী চোৰাং সৰবৰাহকাৰীৰ সহযোগত কাঁইটীয়া তাৰৰ বেৰ পাৰ হৈ গৰু সৰবৰাহৰ বাবে অসমত প্ৰবেশ কৰিছিল । সীমান্তত টহলধাৰী বি এছ এফ জোৱানে এজনক কৰায়ত্ব কৰে যদিও

আন ৫ বাংলাদেশী সৰবৰাহকাৰীয়ে পলায়ন কৰে। আৰক্ষীয়ে ধৃত লোকজনক হাটশিঙিমাৰী জিলা আদালতত হাজিৰ কৰে।

০০০০০

সমাপ্ত